জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নংঃ ৭৭৩/২০২০

# যোৰহাটৰ পৰা মাজুলী সংযোগী পথক নতুন ৰাষ্ট্ৰীয় ঘাইপথ হিচাপে কেন্দ্ৰীয় চৰকাৰৰ ঘোষণা

## এই পদক্ষেপে মাজুলী জিলাৰ ক্ষিপ্ৰ উন্নয়নক নতুন মাত্ৰা প্ৰদান কৰিব ঃ মুখ্যমন্ত্ৰী

## প্ৰধানমন্ত্ৰী আৰু কেন্দ্ৰীয় পথ পৰিবহন মন্ত্ৰীক ধন্যবাদ জনালে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১৯ নৱেম্বৰ ঃ** ৰাজ্য চৰকাৰৰ আহ্বানৰ প্ৰতি ইতিবাচক সঁহাৰি জনাই কেন্দ্ৰীয় পথ পৰিবহন আৰু ৰাষ্ট্ৰীয় ঘাইপথ মন্ত্ৰালয়ে যোৱা ১৭ নৱেম্বৰত ভাৰত ৰাজপত্ৰত প্ৰকাশ কৰা এক জাননীৰ জৰিয়তে যোৰহাটৰ ৭১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ সংযোগ স্থলীৰ পৰা মাজুলীৰ কমলাবাৰী ঘাটত সমাপ্ত হ'বলগীয়া পথছোৱাক ৭১৫-কে নং নতুন ৰাষ্ট্ৰীয় ঘাইপথ হিচাপে ঘোষণা কৰিছে।

আনহাতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কেন্দ্ৰীয় চৰকাৰে এই পথছোৱাক নতুন ৰাষ্ট্ৰীয় ঘাইপথ হিচাপে ঘোষণা কৰা পদক্ষেপক আদৰণী জনাই কয় যে এই পদক্ষেপে মাজুলী জিলাৰ আৰ্থ-সামাজিক, সাংস্কৃতিক, পৰিবহন ইত্যাদিৰ দিশত যুগান্তকাৰী পৰিৱৰ্তনৰ সূচনা কৰিব। এই পদক্ষেপ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ অসমৰ উন্নয়নৰ প্ৰতি থকা দায়বদ্ধতাৰ এক উজ্জল চানেকি বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে এই পদক্ষেপৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে কেন্দ্ৰীয় পথ পৰিবহন মন্ত্ৰী নীতিন গাদকাৰীক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে লোৱা যুগান্তকাৰী পদক্ষেপৰ ফলস্বৰূপে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ লগতে ৰাজ্যখনৰ পথ, ৰে'ল, জলপথ, আকাশীপথ ইত্যাদিৰ উন্নয়নে বিশেষ মাত্ৰা লাভ কৰিবলৈ সক্ষম হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

**বঃভাঃ / পুঃডেঃ**
**১৯/১১/২০২০**